# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 13-NOV-2025

**Time :** 1800 HRS

## *Assamese Evening Bulletin*

-------------------

ooooo

মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আজি বিশ্বনাথ জিলাৰ গহপুৰ সমষ্টিৰ ৩৬ হাজাৰ ৮৩৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যাক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই উপলক্ষে ভোলাগুৰিৰ ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয় চৌহদত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে। ড০ শৰ্মাই তেওঁৰ ভাষণত কয়, যে ৰাজ্য চৰকাৰে বিগত ৪ বছৰত মহিলাসকলক বিভিন্ন দিশত আগবঢ়াই নি সবলীকৰণৰ বাবে নিৰন্তৰ কাম কৰিছে। বৰ্তমানৰ অসম চৰকাৰে গ্ৰহণ কৰা বহু আঁচনি দেশৰ আন আন ৰাজ্যসমূহেও অনুকৰণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। চত্তিশগড়, ঝাৰখণ্ড, পশ্চিমবংগ, কৰ্ণাটক, মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ, হাৰিয়ানা আৰু দিল্লী চৰকাৰে অৰুণোদয় আঁচনিৰ অনুৰূপ কাৰ্যসূচী নিজ নিজ ৰাজ্যত প্ৰৱৰ্তন কৰাৰ কথা উল্লেখ কৰি ড০ শৰ্মাই কয়, যে ইয়ে মহিলা সবলীকৰণৰ দিশত অসম দেশৰ আদৰ্শ ৰাজ্যলৈ পৰিগণিত হোৱাতোকে প্ৰমাণ কৰে। আজিৰ অনুষ্ঠানত শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্ত, বিধায়ক উৎপল বৰা, প্ৰমোদ বৰঠাকুৰ, দিগন্ত ঘাটোৱালকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

ৰাজ্যত স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি শিক্ষা বিভাগত ৮ হাজাৰৰো অধিক প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে। খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুকে ধৰি কেইবাগৰাকী মন্ত্ৰী উপস্থিত থাকে। উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত ২৫২ গৰাকী সহকাৰী অধ্যাপকক নিযুক্তি পত্ৰ বিতৰণৰ উপৰি ৬২ গৰাকী তৃতীয় বৰ্গৰ কৰ্মচাৰীক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে। একেদৰে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত এহেজাৰ ২৭৫ গৰাকী স্নাতকোত্তৰ শিক্ষক আৰু ৬ হাজাৰ ৫২২ গৰাকী স্নাতক শিক্ষকক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে। ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ সঞ্চালকালয়ৰ অধীনত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত ২৮ গৰাকী প্ৰবক্তা আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদত ৮ গৰাকী সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে।

ooooo

শিৱসাগৰ বিদ্যুৎ চক্ৰৰ অন্তৰ্গত শিৱসাগৰ, চৰাইদেউ আৰু ডিব্ৰুগড় জিলাত পি এম সূৰ্যঘৰ আঁচনি অৰ্থাৎ ঘৰে ঘৰে সৌৰশক্তিৰ বিদ্যুৎ যোগান আঁচনিয়ে বিশেষ অগ্ৰগতি লাভ কৰিছে। শিৱসাগৰ বিদ্যুৎ চক্ৰৰ উপ-প্ৰধান প্ৰৱন্ধক সুনয়ন শইকীয়াই এই আঁচনিখনৰ অগ্ৰগতি সম্পৰ্কত এইদৰে কয় -

**বাইট**

০০০০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে ক্ষতিগ্ৰস্ত গাহৰি পালক সকলক ক্ষতিপূৰণ প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা ১৪ কোটি টকাৰ অনুদান বিচাৰিছে। উজনি অসমৰ বিভিন্ন জিলাত বিশেষকৈ শিৱসাগৰ, ধেমাজি, ডিব্ৰুগড় আৰু লখিমপুৰত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ সৰ্বাধিক হোৱা বুলি আমাৰ সংবাদদাতাসকলে জনাইছে। শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ এটা দলে ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। ৰাজ্যিক পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে এই জিলাসমূহত ছোৱাইন ফিভাৰৰ ফলত ৬ হাজাৰৰো অধিক গাহৰিৰ মৃত্যু হৈছে। চলিত বৰ্ষৰ আৰম্ভণিতে গাহৰি পালকসকলক অসুস্থ পশুধন আঁতৰ কৰাৰ বাবে ক্ষতিপূৰণ প্ৰদান কৰা হৈছিল, যদিও বৰ্তমানৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰৰ অনুদানৰ প্ৰয়োজন আহি পৰিছে।

০০০০০

লৌহ মানৱ চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উদযাপনৰ সৈতে সংগতি ৰাখি আজিও বিভিন্ন জিলাত একতাৰ পদযাত্ৰা কৰা হয়। **ডিমা হাছাও জিলা**ৰ হাফলঙত আজি লৌহ মানৱগৰাকীৰ জীৱন আৰু আদৰ্শৰ সোঁৱৰণেৰে এই একতাৰ পদযাত্ৰা কৰা হয়। এই কাৰ্যসূচীত উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ মোহিত হোজাই, ৰাজ্যৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোছাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উদযাপনৰ অংশ হিচাপে গছপুল ৰোপণ, নিচামুক্ত ডিমা হাছাওৰ শপত গ্ৰহণকে ধৰি কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হয়। সমাজৰ বিভিন্ন স্তৰৰ লোকে এই একতাৰ পদযাত্ৰাত অংশগ্ৰহণ কৰে। **কাছাৰ জিলা**তো আজি লৌহ মানৱগৰাকীৰ ডেৰশ বছৰীয়া জয়ন্তীৰ অংশ হিচাপে একতাৰ পদযাত্ৰা অনুষ্ঠিত হয়। জিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত এই পদযাত্ৰাত সাংসদ পৰিমল শুক্লবৈদ্য, বিধায়ক নিহাৰ ৰঞ্জন দাস, বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী, চৰকাৰী কৰ্মচাৰী আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত চৰ্দাৰ পেটেলৰ অৱদানক সুঁৱৰি শ্ৰদ্ধা জনোৱাৰ লগতে নৱপ্ৰজন্মৰ মাজত ঐক্য, দেশপ্ৰেম আৰু দায়বদ্ধতাৰ প্ৰমূল্যসমূহ জাগ্ৰত কৰাৰ প্ৰয়াস কৰা হয়।

০০০০০

সমাপ্ত